# পৰিৱৰ্তনৰ চুনামি

ডাঃ শ্যামন্ত দাস

এটা প্ৰজন্ম ধৰি চলা দুৰ্নীতি-ভ্ৰষ্টাচাৰ আৰু স্বজন-তোষণৰ পৰিণামত পৈতৃক সম্পত্তি হিচাপে লাভ কৰা অৱক্ষয়িত মূল্যবোধৰ বাতাৱৰণত নৱ-প্ৰজন্মক আগৰ চামে নৈতিকতাৰ শিক্ষা দিবলৈ যোৱাটো কিমান দূৰ ফলপ্ৰসূ হ'ব সেয়া চিন্তনীয়। গতানুগতিকতাৰ বিপৰীতে গৈ সৃষ্টিশীলতাৰ নতুনত্বক বোধগম্য কৰিব নোৱাৰি 'নৱ-প্ৰজন্মৰ উচ্ছৃংখলতা', 'উচ্ছৃংখল যুৱ মানসিকতা' ইত্যাদি লেবেলেৰে চেষ্টাৰ গ্ৰহণযোগ্যতা আলোচনাৰ বিষয়।

শান্তিৰ কপৌ চৰাই উৰা আকাশখনৰ তলৰ ভূমিতহে উন্নয়ন সম্ভৱপৰ বিধৰ চিন্তাধাৰাত কিমানখিনি সত্যতা আছে সেয়া বিশ্লেষণ কৰা দৰকাৰ। কিয়নো, সদায় তথাকথিত নিৰপেক্ষ ভূমিকাৰে তুলনামূলকভাৱে শান্তিত আজীৱন অতিবাহিত কৰা ছুইজাৰলেণ্ড ৰাষ্ট্ৰখন প্ৰকৃত সৃষ্টিৰাজিৰ অভাৱৰ বাবে। আনহাতে, সুদীৰ্ঘ কাল ধৰি যুদ্ধ-বিধ্বস্ত ইটালীৰপৰাই মাইকেল এঞ্জেল', গেলিলিও আদিকে ধৰি ওলাইছে নৱজাগৰণৰ চিন্তাধাৰাৰে উদ্ভুত লানি নিছিগা সৃষ্টিশীলতাৰ সাধক।

যুৱচামৰ মাজত বহুল ব্যৱহৃত ইণ্টাৰনেটৰ জৰিয়তে সামাজিক নেটৱৰ্কিঙৰ বিভিন্ন স্থান যেনে ফেচবুক, টুইটাৰ, ইনষ্টাগ্ৰাম ইত্যাদিৰ ঋণাত্মক প্ৰভাৱৰ বিষয়ে হাহাকাৰৰ মাজত কেতবোৰ গুৰুত্বপূৰ্ণ দিশ হেৰাই যায়। মানুহ সামাজিক প্ৰাণী; মানুহক আন জীৱ-জন্তুৰপৰা পৃথক কৰিছে মগজুৰ সন্মুখৰ অংশই। আমাৰ মস্তিষ্কৰ এই ভাগটোৰ বাবে আমি আন

জীৱ-জন্তুৱে কৰিব নোৱৰা বহুতো কাম কৰিব পাৰো। যেনে, মনোযোগ, একাগ্ৰতা, স্মৃতি, সিদ্ধান্ত, যুক্তিযুক্ততা, পৰিকল্পনা, অনুক্ৰম ইত্যাদি। এই আটাইবোৰ উচ্চ খাপৰ কাম কৰিবলৈ আমি সক্ষম কেৱল অগ্ৰজ মস্তিষ্কৰ হেতুকে। এতিয়া উভতি আহো ফেচবুক, টুইটাৰ, ইনষ্টাগ্ৰাম আদিৰ দৰে বিভিন্ন সামাজিক নেটৱৰ্কিঙৰ ইণ্টাৰনেটৰ স্থানসমূহ ব্যৱহাৰৰ বিষয়টোলৈ। এই সমূহৰ পৰিচালনা আৰু একে সময়তে বেলেগ বেলেগ ধৰণৰ কাম-কাজ চলাই যোৱা, যেনে—একাউণ্ট খোলা, গ্ৰুপসমূহত সক্ৰিয় ভূমিকা লোৱা, মতামত, ফটো পোষ্ট আৰু আপলোড কৰা ইত্যাদিবোৰে ইতিমধ্যে উল্লেখ কৰা উচ্চ খাপৰ কৰ্মৰাজিৰ বাবে অগ্ৰজ মস্তিষ্কৰ বিকাশক চিহ্নিত কৰে। উল্লেখনীয় যে এনে কামসমূহ যুৱ চামে অতি সহজে, বিশেষ কষ্ট নকৰাকৈয়ে চলাই গৈ থাকে। বহুতো আকৌ লিন্‌কদ-ইন, ৰিচাৰ্জগেট আদিৰ দৰে পেছাদাৰী নেটৱৰ্কিঙতো সক্ৰিয়; য'ত প্ৰয়োজন হয় আৰু জটিলতাৰ।

যিদৰে ব্যৱহাৰ নকৰা পাকঘৰৰ কটাৰীখনত মামৰে ধৰে, ঠিক একেদৰে অনবৰতে কামত লগাই থকাখন চোকা হৈ থাকে। তেনেদৰে, সক্ৰিয় অগ্ৰজ মস্তিষ্কই যুৱ চামত গতানুগতিকতাৰ বিপৰীতে গৈ সুদূৰপ্ৰসাৰী যুগান্তৰ আৱিষ্কাৰ আনিবলৈ সৃষ্টিশীলতাৰ কঠীয়া ৰোৱে।

পৰিৱৰ্তনৰ বতাহত আতংকিত হৈ উচ্ছৃংখলতা, বিশৃংখলতা আখ্যা দিয়া ঘটনাসমূহক স্তব্ধ কৰিবলৈ চলোৱা প্ৰচেষ্টা হয়তোবা সাম্প্ৰতিক গতানুগতিকতাক বাহাল ৰখাৰ প্ৰয়াস। এই অৱস্থাত আত্মবিশ্লেষণৰ প্ৰয়োজন যে আমি আমাৰ অতীত আৰু বৰ্তমানত সন্তুষ্ট নে? স্বীকাৰ নকৰি উপায় নাই যে আঙুলিৰ মূৰত গণিব পৰা নিজৰ প্ৰচেষ্টাত ভোটা তৰাৰ দৰে জিলিকা কেতবোৰ খনিকৰৰ প্ৰভাৱশালী অৱদানৰ বাহিৰে জাতিগতভাৱে গৌৰৱ কৰিবলগীয়া আমাৰ বিশেষ একো নাই।

আইনষ্টাইনৰ আপেক্ষিকতাৰ সূত্ৰ অনুসৰি বৰ্তমানটোক বৰ্তাই ৰাখিবলৈও পৰিশ্ৰমৰ প্ৰয়োজন; অন্যথা ই জহি-খহি যাব। তাতোকৈ পৰিশ্ৰমৰ কাম পৰিৱৰ্তন অনা। ধনাত্মক যুগান্তকাৰী সুদূৰপ্ৰসাৰী পৰিৱৰ্তনৰ বাবে কেৱল পৰিশ্ৰমেই নহয়, সচৰাচৰ প্ৰচলিত গণ্ডীৰ বাহিৰলৈ ওলাই সৃষ্টিশীল চিন্তাৰ প্ৰয়োজন। এতিয়া সিদ্ধান্তৰ বিষয় হ'ল—উৎকণ্ঠাৰ ভয়ত আমি পৰিৱৰ্তনক ভেটা দিম নে যুৱচামৰ নৱ চিন্তাৰ জোৱাৰক বতাহৰ দিশ অনুপাতে মথাউৰি ভাঙি ববলৈ দিম।

TRIAL MODE - a valid license will remove this message. See the keywords property of this PDF for more information.